# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI

0000000000

**DATE :** 13-12-2024

**TIME :** 1845 HRS

## ***ASSAMESE EVENING BULLETIN***
## ***HEADLINES***

১। সংসদৰ দুয়োখন সদনতে আজি ২০০১ চনৰ সংসদ ভৱন আক্ৰমণৰ ঘটনাত নিহত ছহীদসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন।

২। ৰাজ্যৰ শিক্ষা বিভাগৰ প্ৰথমবাৰৰ বাবে বিদ্যালয়সমূহত বিশেষভাৱে গণিতৰ শিক্ষক পদ সৃষ্টিৰ সিদ্ধান্ত।

৩। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি যোৰহাট নগৰ পানীযোগান আঁচনিৰ আধাৰশিলা স্থাপন।

৪। গুৱাহাটীৰ বৰাগাঁৱত সংঘটিত দলবদ্ধ ধৰ্ষণৰ ঘটনা সন্দৰ্ভত মহানগৰ আৰক্ষীৰ ৭ জন অভিযুক্তক আটক। ***আৰু***

৫। ৬৮ সংখ্যক নেচনেল স্কুল গেমছত কেৰাটেৰ ভিন ভিন শাখাত অসমৰ তিনিগৰাকী ছাত্ৰীৰ সোণ আৰু ব্ৰঞ্জৰ পদক অৰ্জন।

০০০০

সংসদৰ দুয়োখন সদনতে আজি ২০০১ চনৰ সংসদ ভৱন আক্ৰমণৰ ঘটনাত নিহত ছহীদসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। দুয়োখন সদনৰ সদস্যসকলে দেশৰ সৰ্বোচ্চ গণতান্ত্ৰিক সংস্থাৰ হকে আত্মবলিদান দিয়া নিৰাপত্তাৰক্ষীসকলৰ স্মৃতিৰ প্ৰতি সন্মান জনাই মৌনতা অৱলম্বন কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ছহীদ জোৱানসকলৰ আত্মত্যাগৰ বিষয়ে উল্লেখ কৰি কয়, যে আজিৰ এই দিনটোতেই সংসদৰ সজাগ নিৰাপত্তাৰক্ষীসকলে নিজৰ দৃষ্টান্তমূলক সাহস দেখুৱাই সন্ত্ৰাসবাদীৰ কু-প্ৰচেষ্টাক বিফল কৰি তুলিছিল। তেওঁ কয়, যে এই দিনটোত সদনে সন্ত্ৰাসবাদৰ বিৰুদ্ধে দৃঢ়তাৰে যুঁজ দিয়াৰ সংকল্প পুনৰবাৰ প্ৰকাশ কৰিছে।

ৰাজ্যসভাত সভাপতি জগদীপ ধনখড়ে কয়, যে নিৰাপত্তাৰক্ষীসকলৰ সাহস আৰু দৃঢ়তাই সন্ত্ৰাসবাদীৰ কু-অভিপ্ৰায় বিফল কৰি তুলিছিল। এই দিনটো দেশৰ একতাৰ লগতে নিৰাপত্তাৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ দিশ সমূহো চালি-জাৰি চাবলৈ বিশেষভাৱে পালন কৰাৰ প্ৰয়োজন বুলিও তেওঁ মত পোষণ কৰে। ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়েও সামাজিক মাধ্যমত ২৩ বছৰ পূৰ্বে আত্মবলিদান দিয়া নিৰাপত্তাৰক্ষীসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

০০০০

ৰাজ্যৰ শিক্ষা বিভাগে প্ৰথমবাৰৰ বাবে বিশেষভাৱে গণিতৰ শিক্ষকৰ পদ সৃষ্টি কৰিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰি কয়, যে পূৰ্বতে ৰাজ্যৰ বিদ্যালয়সমূহত বিজ্ঞান বিষয়ৰ শিক্ষক নিয়োগ কৰা হৈছিল আৰু তেওঁলোকক গণিতৰ শিক্ষা প্ৰদানৰো দায়িত্ব দিয়া হৈছিল। এইবাৰ প্ৰথমবাৰৰ বাবে চৰকাৰে এহেজাৰ ৭৬০ টা গণিত শিক্ষকৰ পদ সৃষ্টি কৰাৰ সিদ্ধান্ত লৈছে। প্ৰতিখন মাধ্যমিক

বিদ্যালয়ত একোজন গণিতৰ শিক্ষক আছুতীয়াকৈ থকাৰ ব্যৱস্থা কৰা হ'ব আৰু পৰ্যায়ক্ৰমে এই পদৰ সংখ্যা বৃদ্ধি কৰা হ'ব বুলি শিক্ষামন্ত্ৰীয়ে প্ৰকাশ কৰে।

বাইট

০০০০

উত্তৰ পূৰ সীমান্ত ৰেলৰে ৰেলযাত্ৰাক অধিক সুৰক্ষিত আৰু নিৰাপদ কৰি তোলাৰ বাবে সংমণ্ডলটোৰ ৩১ টা ষ্টেছনত ক্লেপ টাইপ লকিঙৰ সৈতে থিক ৱেব চুইচ পইণ্ট মেচিন স্থাপন কৰিছে। উত্তৰ-পূৰ সীমান্ত ৰেলৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মাই কয়, যে এই সংমণ্ডলৰ অন্তৰ্গত কেইবাটাও খণ্ডত চিগনেলিং প্ৰণালী উন্নীত কৰাৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ২০২৪ চনৰ নৱেম্বৰ মাহৰ সময়ছোৱাত কাতিহাৰৰ ৪ খন লেভেল ক্ৰছিং গেট, আলিপুৰ দুৱাৰৰ এখন আৰু লামডিং মণ্ডলৰ দুখন লেভেল ক্ৰছিং গেটৰ শ্লাইদিং বুম স্থাপন কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। উত্তৰ-পূৰ সীমান্ত ৰেলৱেৰ ২৫ খন লেভেল ক্ৰছিং গেটক চিষ্টেম ইনটেগ্ৰেটিক পৰীক্ষণ সম্পন্ন কৰা হৈছে। উত্তৰ-পূৰ সীমান্ত ৰেলৱেই ইয়াৰ সকলো গ্ৰাহকৰ বাবে উৎকৃষ্ট সমায়নুৱৰ্তি আৰু সুৰক্ষিত ৰেলৱে অভিজ্ঞতা নিশ্চিত কৰাৰ বাবে নিষ্ঠাৰে সৈতে কাম কৰি আহিছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ **দৃষ্টিপাত** অনুষ্ঠানত শ্ৰোতাসকলৰ বাতৰি সম্পৰ্কীয় মতামত, অভিযোগ আৰু পৰামৰ্শ অনুষ্ঠান প্ৰচাৰ কৰিব। ইয়াত Whatsapp নম্বৰ ৯৮৬৪০-৫৫৫৬৬ যোগে লাভ কৰা টেক্সট বা ভইচ বাৰ্তাৰ লগতে অনুষ্ঠান চলি থকাৰ সময়তো আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ এই দুটা নম্বৰত দিয়া অভিমত, প্ৰশ্ন আৰু উত্তৰ প্ৰচাৰিত হ'ব।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি যোৰহাট নগৰ পানীযোগান আঁচনিৰ আধাৰশিলা স্থাপন কৰে। যোৰহাট জিলাৰ বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে জিলাখনৰ মুঠ ১২ হেজাৰ ৬৪৭ গৰাকী ঋণীলৈ মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি ২০২১ৰ অধীনত ঋণ মকুব প্ৰমাণ পত্ৰ বিতৰণ কৰা হয়। আজিৰ এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য সংসাধন উদ্যোগৰ আনুষ্ঠানিকৰণ আঁচনিৰ অধীনত ৩৬৬ গৰাকীলৈ মূলধনী বিনিয়োগৰ ৰাজসাহায্য আৰু দুৰ্যোগ ক্ষতিগ্ৰস্ত ৫টা পৰিয়াললৈ আৰ্থিক সাহায্য আগবঢ়োৱা হয়। অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বিত্তমন্ত্ৰী তথা যোৰহাটৰ অভিভাৱক মন্ত্ৰী অজন্তা নেওগো উপস্থিত থাকে।

০০০০

বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে আজি কোকৰাঝাৰত বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত স্কুটিকে ধৰি অন্যান্য সাহায্য সামগ্ৰী আৰু নগদ ধন বিতৰণ কৰে। মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত এঘাৰ হাজাৰ ৫০৪ খন চাইকেল নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিতৰণ কৰা হয়। বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত ৩৭৩ খন স্কুটি আৰু আনন্দৰাম বৰুৱা মেধা বঁটাৰ অধীনত ৩৬৫ গৰাকী ছাত্ৰ-ছাত্ৰীক নগদ ধন প্ৰদান কৰা হয়।

০০০০

শ্ৰীভূমি জিলাৰ নীলমণি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চৰকাৰে আনন্দৰাম বৰুৱা বঁটাৰ অধীনত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চাইকেল আৰু স্কুটি বিতৰণ কৰে। এই অনুষ্ঠানত পশুপালন, পশু চিকিৎসা, মীন আৰু কৃষি বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পাল উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত কয়, যে এই বঁটাৰ জৰিয়তে সকলো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক উচ্চ শিক্ষাৰে শিক্ষিত কৰি তোলাটো চৰকাৰৰ লক্ষ্য। অনুষ্ঠানত বিধায়ক কমলাক্ষ দে' পুৰকায়স্থ, বিজয় মালাকৰ, বিজেপিৰ জিলা সভাপতি তথা জিলা উন্নয়ন বিষয়াকে ধৰি অন্যান্য বহু লোক উপস্থিত থাকে।

০০০০

গুৱাহাটী মহানগৰীৰ বৰাগাঁৱত সংঘটিত দলবদ্ধ ধৰ্ষণৰ ঘটনা সন্দৰ্ভত আজি পুৱতি নিশা আৰক্ষীয়ে অভিযান চলাই ৭ জন অভিযুক্তক আটক কৰিছে। গুৱাহাটীৰ আৰক্ষী আয়ুক্ত দিগন্ত বৰাই প্ৰকাশ কৰা অনুসৰি ৫ দিন পূৰ্বে বৰাগাঁৱৰ দূৰ্গা মন্দিৰ প্ৰাংগনত ১৮ বছৰৰ পৰা ২৩ বছৰ বয়সীয়া এই বিকৃত মানসিকতাৰ যুৱককেইজনে ৰাস চাই উভতি অহা এগৰাকী যুৱতীক দলবদ্ধভাৱে ধৰ্ষণ কৰে আৰু এই দৃশ্য ম'বাইল ফোনত আবদ্ধ কৰে। এগৰাকী সাংবাদিকে এই আপত্তিজনক ভিডিঅ' গড়চুক আৰক্ষীক জমা দিয়াৰ পাছত গড়চুক থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ময়ূৰজিৎ গগৈৰ নেতৃত্বত এটা দলে আজি পুৱতি নিশা কেইবা ঠাইতো অভিযান চলাই অভিযুক্ত কেইগৰাকীক আটক কৰে। এই ঘটনাৰ আন তিনিজন অভিযুক্ত এতিয়াও পলাতক অৱস্থাত আছে। অভিযুক্ত কেইজনক আজিয়েই আদালতত হাজিৰ কৰোৱা হয়।

০০০০

গোৱালপাৰা জিলা প্ৰশাসনে আজি বালিজানা ৰাজহ চক্ৰৰ অন্তৰ্গত পঞ্চৰত্নত চৰকাৰী ভূমিত বেদখল কৰি থকা ৪৪টা পৰিয়ালক উচ্ছেদ কৰে। আমাৰ গোৱালপাৰাৰ সংবাদদাতাই জনোৱা মতে, এই পৰিয়ালসমূহক প্ৰশাসনে কেইবাবাৰো আঁতৰি যাবলৈ জাননী দিছিল যদিও, তেওঁলোক আঁতৰি নোযোৱাত প্ৰশাসনে তেওঁলোকক উচ্ছেদ কৰিবলৈ বাধ্য হয়। গোৱালপাৰা জিলাৰ অতিৰিক্ত আয়ুক্ত, অতিৰিক্ত আৰক্ষী অধীক্ষক আৰু বালিজানা ৰাজহচক্ৰ বিষয়া কেইগৰাকীৰ তত্বাৱধানত চলা এই উচ্ছেদ অভিযান কালত কিছু উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয় যদিও আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

০০০০

নগাঁও জিলাৰ মৰিকলং আৰক্ষীয়ে কালি নিশা নগাঁও চহৰৰ সমীপৱৰ্তী ধেপাজান কুটাইনি অঞ্চলত অভিযান চলাই বহু পৰিমাণৰ ড্ৰাগছসহ আজাজুল হক নামৰ এজন যুৱকক আটক কৰে। আৰক্ষীয়ে ধৃত যুৱকজনৰ পৰা তিনিটা ড্ৰাগছ ভৰ্তি কণ্টেনাৰসহ প্ৰায় ৮৫৩ টা নিষিদ্ধ টেবলেট আৰু নগদ ধন জব্দ কৰে। এই সন্দৰ্ভত আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

০০০০

ৰাজ্যজুৰি খেল মহাৰণৰ দ্বিতীয় পৰ্যায় আৰম্ভ হৈছে। কাৰ্বি আংলং জিলাৰ বোকাজান বিধানসভা সমষ্টিত আজিৰে পৰা ১৫ ডিচেম্বৰলৈ চলিবলগীয়া বিধানসভা সমষ্টিৰ দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণ অসম বিধানসভাৰ উপাধ্যক্ষ নোমল মমীনে শুভাৰম্ভ কৰে। যোৰহাট জিলাৰ মৰিয়নিতো খেল মহাৰণৰ দ্বিতীয় পৰ্যায় আৰম্ভ হৈছে।

০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০

অসম চৰকাৰৰ সংখ্যালঘু উন্নয়ন বোৰ্ডৰ দ্বাৰা আজি লখিমপুৰ জিলাৰ ১০ গৰাকী সংখ্যালঘু হিতাধিকাৰীৰ মাজত ই ৰিক্সা বিতৰণ কৰা হয়। জিলা প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত সংখ্যালঘু উন্নয়ন বোৰ্ডৰ ই ৰিক্সা বিতৰণ অনুষ্ঠান মুকলি কৰি লখিমপুৰ সমষ্টিৰ বিধায়ক মানৱ ডেকাই বৰ্তমান চৰকাৰে সংখ্যালঘু নিবনুৱা যুৱক-যুৱতীৰ স্বাৱলম্বনৰ বাবে গ্ৰহণ কৰা আঁচনিৰ বিষয়ে উল্লেখ কৰি ই ৰিক্সাৰ দ্বাৰা নিবনুৱা যুৱকসকল আত্মনিৰ্ভৰশীল হব বুলি আশা প্ৰকাশ কৰে। এই উপলক্ষে মহকুমা কল্যাণ বিষয়াৰ সহযোগত উত্তৰ লখিমপুৰ আৰ্ত ভৱনৰ সভাকক্ষত অনুষ্ঠিত ই ৰিক্সা বিতৰণ অনুষ্ঠানত মুখ্য অতিথিৰূপে অসম চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি উন্নয়ন দপ্তৰৰ মন্ত্ৰী তথা লখিমপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকে। অতিৰিক্ত জিলা আয়ুক্তই আদৰণি ভাষণেৰে আৰম্ভ কৰা অনুষ্ঠানত নৱ নিযুক্ত জিলা আয়ুক্ত, উন্নয়ন আয়ুক্ত, অতিৰিক্ত আয়ুক্ত, জিলা পৰিষদৰ কাৰ্যবাহী সদস্য, সমাজকৰ্মী আদি উপস্থিত থাকে।

০০০০

অসম ক্ৰীড়া সাংবাদিক সন্থাৰ উদ্যোগত গুৱাহাটীত চলি থকা আন্তঃ মিডিয়া ক্ৰীড়া মহোৎসৱৰ লগত সংগতি ৰাখি আজি অনুষ্ঠিত এখন প্ৰীতি ক্ৰিকেট খেলত সদৌ অসম সাংবাদিক সন্থাই টপছেমৰ বিৰুদ্ধে ৩৪ ৰানত জয়লাভ কৰে। নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত ১০ অভাৰৰ খেলখনত টছত জয়লাভ কৰি সাংবাদিক সন্থাৰ দলটোৱে প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয় আৰু প্ৰতিপক্ষক জয়ৰ বাবে ১১৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। প্ৰত্যুত্তৰত টপছেমে নিৰ্ধাৰিত অভাৰত ৬টা উইকেট হেৰুৱাই ৮৪ ৰান কৰে।

০০০০

৬৮ সংখ্যক নেচনেল স্কুল গেমছ প্ৰতিযোগিতাত অসমৰ তিনিগৰাকী ছাত্ৰীয়ে ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে। নতুন দিল্লীৰ থ্যাগাৰাজ ষ্টেডিয়ামত অনুষ্ঠিত ১৭ বছৰ অনুৰ্ধৰ ছোৱালীৰ কুমিটে-৩৬ কিলোগ্ৰাম শাখাত তানায়া নাথে সোণৰ পদক অৰ্জন কৰিছে। ইপিনে পঞ্জাবৰ লুধিয়ানাত চলি থকা একে প্ৰতিযোগিতাত সুনয়না গগৈয়ে ১৪ বছৰ অনুৰ্ধৰ কুমিটে-৩৪ কিলোগ্ৰাম শাখাত আৰু ৰশ্মি প্ৰধানে কুমিটে-৪২ কিলোগ্ৰাম শাখাত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। এই প্ৰতিযোগিতাখন যোৱা ১১ ডিচেম্বত আৰম্ভ হৈছে আৰু অহা ১৭ ডিচেম্বৰত সামৰণি পৰিব। সদৌ অসম কাৰাটে সন্থাই সুনয়না আৰু ৰশ্মিৰ এই সাফল্যত খেলুৱৈ দুগৰাকীলৈ অভিনন্দন জ্ঞাপন কৰিছে।

০০০০

বিশিষ্ট কবি, সু-লেখিকা মীৰা ঠাকুৰে যোৱা নিশা হৃদৰোগজনিত ৰোগত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮২ বছৰ। তেজপুৰত জন্মগ্ৰহণ কৰা মীৰা ঠাকুৰে যোৰহাটৰ দেৱী চৰণ বৰুৱা ছোৱালী মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। তেওঁ

কিছুদিন ডিফু চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতাও কৰিছিল। তেজত ফুলত ওঁঠত, বন বকুলৰ সুঁহৰী, নিছিগা সুঁতাৰ ধাৰ— হৈছে তেওঁৰ উল্লেখযোগ্য কাব্য সংকলন। অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনেৰে সন্মানিত মীৰা ঠাকুৰ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সৈতেও জড়িত আছিল। ১৯৯৭ চনত তেওঁৰ কবিতা আকাশবাণীৰ সৰ্বভাৰতীয় কবি সন্মিলনলৈ নিৰ্বাচিত হৈছিল। অসম কবি সমাজ, শতদল সাহিত্য সভা, সদৌ অসম লেখিকা সন্থাকে ধৰি ভালেকেইটা সাহিত্য-সংস্কৃতি সংগঠনৰ সৈতে জড়িত মীৰা ঠাকুৰৰ নশ্বৰ দেহৰ অন্তেষ্টিক্ৰিয়া আজি দিনৰ ভাগত নৱগ্ৰহ শ্মশানত সম্পন্ন কৰা হয়। ৰাজ্যখনৰ কেইবাগৰাকীও কবি, সাহিত্যিকে তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰিছে।

০০০০

বিশিষ্ট শিক্ষাবিদ, তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য তথা শিক্ষা বিভাগৰ প্ৰাক্তন উপদেষ্টা ডং মিহিৰকান্তি চৌধুৰীৰ আজি মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৭ বছৰ।

খড়গপুৰৰ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, জাৰ্মানীৰ ব'চামৰ ৰুৰ বিশ্ববিদ্যালয় আৰু কল্যাণী বিশ্ববিদ্যালয়ত শিক্ষা লাভ কৰা ড০ চৌধুৰীয়ে গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ লগতে দেশৰ কেইবাখনো বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানত অধ্যাপকৰূপে সেৱা আগবঢ়াইছিল। বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণা পৰিষদ আৰু ভাৰতীয় ৰাষ্ট্ৰীয় বিজ্ঞান একাডেমীৰ নিৰ্বাচিত বিজ্ঞানী প্ৰয়াত চৌধুৰীয়ে ১৯৮৯ চনত শান্তিস্বৰূপ ভাটনাগৰ বঁটাকে ধৰি বহুকেইটা ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত হৈছিল। তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা আৰু উন্নয়নৰ ক্ষেত্ৰত তেখেতৰ ভূমিকা উল্লেখনীয় আছিল।

চৌধুৰীৰ মৃত্যুত অসমৰ ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই শোক প্ৰকাশ কৰে। অসমৰ উচ্চ শিক্ষাৰ বিকাশত আগবঢ়োৱা অতুলনীয় অৰিহণাৰ বিষয়ে উল্লেখ কৰি ৰাজ্যপালে প্ৰয়াত চৌধুৰীৰ মৃত্যু ৰাজ্য আৰু দেশৰ বাবে অপূৰণীয় ক্ষতি বুলি অভিহিত কৰে। অধ্যাপক মিহিৰকান্তি চৌধুৰীৰ মৃত্যুত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, তেজপুৰ বিশ্ববিদ্যালয় সমাজৰ লগতে ৰাজ্যৰ বহু বিশিষ্ট ব্যক্তি আৰু দল সংগঠনে শোক প্ৰকাশ কৰিছে।

০০০০

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধীকৰণৰ সৌজন্যত কাইলৈ তিনিচুকীয়া জিলাত লোক আদালতৰ আয়োজন কৰা হৈছে। তিনিচুকীয়া জিলা ন্যায়িক আদালতৰ লগতে শদিয়া আৰু মাৰ্ঘেৰিটা সমজিলাৰ ন্যায়িক দণ্ডাধীশৰ আদালত প্ৰাংগণত লোক আদালত অনুষ্ঠিত হ'ব। আদালতত চলি থকা বিভিন্ন গোচৰৰ লগতে গোচৰ যোগ্য বিবাদৰো এই লোক আদালতত মিমাংসা কৰা হ'ব।

০০০০

সমাপ্ত